# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-03-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

oooooooo

অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন কালি ঘোষণা কৰা হয়। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

*-বাইট-*

উল্লেখযোগ্য যে ৰাজ্যত এইবাৰ দুই কোটি ৫০ লাখ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত এক কোটি ২৫ লাখ পুৰুষ, এক কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ জন তৃতীয় লিংগৰ ভোটদাতা আছে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ আৰু অনন্য ব্যৱস্থা বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে অসমৰ বিভিন্ন দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰতিকূল পৰিস্থিতিৰ মাজত নিৰ্বাচনী বিষয়াসকলে যাত্ৰা কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ মাজুলীৰ পৰা প্ৰায় ৫০-৬০ কিলোমিটাৰ দূৰত্ব ফেৰী আৰু ট্ৰেক্টৰেৰে অতিক্ৰম কৰি নিৰ্বাচনী বিষয়াসকলে ২৪৮ জন ভোটদাতা থকা অতি পিছপৰা ধনেখনা ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হোৱাৰ কথা প্ৰকাশ কৰে।

মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত বিশুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি উল্লেখ কৰি কয়, যে এই উদ্দেশ্য আগত ৰাখিয়েই নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া চলাইছিল। তেওঁ কয় যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আদিৰ দৰে ন্যূনতম ব্যৱস্থাসমূহ নিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত অন্ত পৰিব।

oooooo

নিৰ্বাচন আয়োগে আন ৪ ৰাজ্যৰ অসমৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই সমগ্ৰ ৰাজ্যজুৰি আজিৰে পৰা নিৰ্বাচন আয়োগৰ আদৰ্শ আচৰণ বিধি বলবৎ হৈছে। আদৰ্শ আচৰণ বিধি সন্দৰ্ভত শ্ৰীভূমিৰ জিলা নিৰ্বাচনী অধিকাৰীৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা বিজ্ঞপ্তি অনুসৰি জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয় আৰু কাৰ্যালয়ৰ মুৰব্বীসকলক আদৰ্শ আচৰণ বিধি কঠোৰভাৱে নিৰ্দেশ দিয়া হৈছে। বিজ্ঞপ্তি অনুসৰি চৰকাৰী আৰু ৰাজহুৱা সম্পত্তিত থকা সকলো ধৰণৰ পোষ্টাৰ, বেনাৰ, ফেক্স, দেৱাল লিখন আদি নিৰ্বাচন দিন ঘোষণাৰ ২৪

ঘণ্টাৰ ভিতৰত আঁতৰাব লাগিব। একেদৰে ৰাজহুৱা সম্পত্তি যেনে- পথ, বিদ্যুতৰ খুঁটা, ৰে'ল ষ্টেচন, বাছ আস্থান, চৰকাৰী বাহন আদিৰ পৰা ৰাজনৈতিক দল তথা প্ৰাৰ্থীৰ প্ৰচাৰ সামগ্ৰী ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰাব লাগিব। ব্যক্তিগত সম্পত্তিত সংলগ্ন কৰা ৰাজনৈতিক প্ৰচাৰ সামগ্ৰী আইন অনুসৰি ৭২ ঘণ্টাৰ ভিতৰত আঁতৰাবলৈ নিৰ্দেশ দিয়া হৈছে। লগতে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে চৰকাৰী বাহন ব্যৱহাৰ কৰিব নোৱাৰিব বুলিও স্পষ্টভাৱে কোৱা হৈছে। নিৰ্বাচন ঘোষণা হোৱাৰ পিছত চৰকাৰী সম্পত্তিৰ পৰা কিমান পোষ্টাৰ, বেনাৰ বা দেৱাল লিখন আঁতৰোৱা হৈছে তাৰ বিশদ তথ্য নিৰ্দিষ্ট আৰ্হিত ২৪ ঘণ্টাৰ ভিতৰত নিৰ্বাচনী ব্যয় পৰ্যবেক্ষণ শাখাত জমা দিব লাগিব। এই নিৰ্দেশ পালন কৰাত কোনো গাফিলতি ধৰা পৰিলে তাক গুৰুত্ব সহাৰে বিবেচনা কৰা হ'ব আৰু নিৰ্বাচন আয়োগক প্ৰতিবেদন প্ৰেৰণ কৰিব প্ৰয়োজনীয় বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰশাসনে সতৰ্ক কৰি দিছে।

ৰাজ্যজুৰি আদৰ্শ আচৰণ বিধি বলৱৎ হোৱাৰ লগে লগে দেওবাৰে সন্ধিয়াৰে পৰা দলগাঁও ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত এটা বিভাগীয় দলে দলগাঁও বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত থকা ৰাজনৈতিক দলৰ বেনাৰ, পোষ্টাৰ, হৰ্ডিং, পতাকাসমূহ আঁতৰাই দিয়ে।

০০০০০০

অপ্ৰাদেশীকীকৃত শিক্ষকসকলৰ ত্যাগ আৰু নিষ্ঠাৰ প্ৰতি সন্মান জনাই **গুৰু দক্ষিণা** শীৰ্ষক এটা প'ৰ্টেল মুকলি কৰা হৈছে। কাহিলিপাৰাৰ সমগ্ৰ শিক্ষা অসমৰ কাৰ্যালয়ত কালি আনুষ্ঠানিকভাৱে এই প'ৰ্টেল মুকলি কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, যে এই প'ৰ্টেলৰ জৰিয়তে ২০১৩ আৰু ২০২১ চনৰ প্ৰদেশীকীকৰণৰ পৰা বাদ পৰা শিক্ষকসকলে আৰ্থিক সাহায্য লাভৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০

ৰাজ্যৰ সকলো বিদ্যালয়তে ২০২৬ শৈক্ষিক বৰ্ষৰ পৰা ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ বুৰঞ্জী আৰু ভূগোল বিষয় দুটা বাধ্যতামূলক  কৰা হৈছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিবে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশ অনুসৰি বুৰঞ্জী আৰু ভূগোল বিষয় দুটা নিয়মীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'ব আৰু শ্ৰেণীত এই বিষয় দুটা বাধ্যতামূলকভাৱে শিকাব লাগিব। অসমৰ চহকী সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয়ৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াবাবে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা বাধ্যতামূলক কৰা হৈছে বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০

অসম ক্ৰিকেট সন্থাৰ তৃতীয় সংখ্যক পুলিন দাস সোঁৱৰণী ১৪ বছৰ অনুৰ্ধ আন্তঃজিলা প্ৰতিযোগিতা অহা ২২ মাৰ্চৰ পৰা আয়োজন কৰা হৈছে। অসম ক্ৰিকেট সন্থাৰ ভাৰপ্ৰাপ্ত মুখ্য কাৰ্যবাহী বিষয়া নৱজ্যোতি শৰ্মাই জনোৱা মতে, খেলুৱৈসকলৰ অনলাইন পঞ্জীয়ন অহা ২০ মাৰ্চৰ পূৰ্বে কৰা হ'ব। এই প্ৰতিযোগিতাখনত ২০১২ চনৰ ১ মাৰ্চ বা তাৰ পাছত জন্মগ্ৰহণ কৰা খেলুৱৈসকলে অংশগ্ৰহণ কৰিব পাৰিব বুলি অসম ক্ৰিকেট সন্থাই জনাইছে। প্ৰতিযোগিতাখনত ভাগ লোৱাৰ বাবে ডিব্ৰুগড় জিলা ক্ৰিকেট দলৰ বাচনি শিৰিৰ অহা ১৭ আৰু ১৮ মাৰ্চত পুৱা ১০ বজাৰ পৰা হ'ব বুলি জিলা ক্ৰীড়া সন্থাৰ ক্ৰিকেট বিভাগৰ সম্পাদক আব্দুল ৰহমানে জনাইছে।

০০০০০০০

**সমাপ্ত**